**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-09-2024
**Time :** 13-40 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ চৰকাৰী ভ্ৰমণসূচীৰে ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব।

২। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সৈনিক বিদ্যালয়ত ছোৱালীৰ নামভৰ্তিৰ সিদ্ধান্তক যুগান্তকাৰী বুলি অভিহিত কৰিছে।

৩। মুছলমান সম্প্ৰদায়ৰ বিদ্যান আৰু ধৰ্মীয় নেতাৰ এটা প্ৰতিনিধি দলে কালি কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু আৰু যুটীয়া সংসদীয় কমিটিৰ অধ্যক্ষ জগদম্বিকা পালক সাক্ষাৎ কৰি ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ ৰ অধীনৰ প্ৰস্তাৱসমূহৰ প্ৰতি সমৰ্থন আগবঢ়ায়।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বুধবাৰলৈকে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ***আৰু***

৫। ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ আজি পেৰিছ পেৰালিম্পিকৰ চতুৰ্থ দিনা বিভিন্ন শিতানৰ পদকৰ যুঁজত অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ চৰকাৰী ভ্ৰমণসূচীৰে ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত শুকুৰবাৰে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী ব্ৰুনেইৰ ছুলতান হাজী হছনল বোলকিয়াৰ  আমন্ত্ৰম মৰ্মে পৰহিলৈ ব্ৰুনেৰ ডাৰুচ্ছালামত উপস্থিত হ'ব। এয়া কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰীজয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী তেওঁৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙৰ নিমন্ত্ৰণ মৰ্মে বুধবাৰে ছিংগাপুৰত উপস্থিত হ'ব।

০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সৈনিক বিদ্যালয়ত ছোৱালীৰ নামভৰ্তিৰ সিদ্ধান্তক যুগান্তকাৰী বুলি অভিহিত কৰিছে। তেওঁ কয় যে এই পদক্ষেপে লিংগ সমতা আৰু লিংগ ন্যায়ৰ ক্ষেত্ৰত হোৱা অভূত পূৰ্ব প্ৰগতিৰ কথাকে প্ৰতিফলিত কৰে। উত্তৰাখণ্ডৰ দেৰাডুনৰ ৰাষ্ট্ৰীয় ভাৰতীয় সৈনিক মহাবিদ্যালয়, আৰ আই এম চি ৰ কেডেটসকলক সম্বোধন কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ছোৱালীসকলক ভৱিষ্যতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ লগতে বিশ্ব কল্যাণৰ ক্ষেত্ৰত অৱদান আগবঢ়াব পৰাকৈ সাজু কৰি তোলা হৈছে। ইয়াৰ পূৰ্বে শ্ৰীধনখড়ে মহাবিদ্যালয় চৌহদত এটি গছপুলি ৰোপণ কৰি পৰিবেশ সংৰক্ষণৰ গুৰুত্বত আলোকপাত কৰে।

শ্ৰীধনখড় আজি ঋষিকেশৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানলৈও যাব। তাত তেওঁ প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু  কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০

মুছলমান সম্প্ৰদায়ৰ বিদ্যান আৰু ধৰ্মীয় নেতাৰ এটা প্ৰতিনিধি দলে কালি কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু আৰু যুটীয়া সংসদীয় কমিটিৰ অধ্যক্ষ জগদম্বিকা পালক সাক্ষাৎ কৰে আৰু ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ ৰ অধীনৰ প্ৰস্তাৱসমূহৰ প্ৰতি সমৰ্থন আগবঢ়ায়। সাক্ষাৎকালত সৰ্বভাৰতীয় চুফি চজ্জাদানচিন পৰিষদৰ অধ্যক্ষ তথা আজমেৰ দৰগাহৰ আধ্যাত্মিক মুৰব্বী উত্তৰাধিকাৰী ছৈয়দ নছিৰুদ্দিন ছিষ্টি নেতৃত্বাধীন প্ৰতিনিধি দলটোৱে মুছলমান সম্প্ৰদায়ৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ আলোচনা কৰে। ৱাক্‌ফ সংশোধনী বিধেয়কৰ প্ৰস্তাৱসমূহ চালি জাৰি চোৱাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় কমিটিত লোকসভাৰ ২১ গৰাকী আৰু ৰাজ্যসভাৰ ১০ গৰাকী সদস্য আছে। কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু আৰু যুটীয়া সংসদীয় কমিটিৰ অধ্যক্ষ জগদম্বিকা পালৰ সৈতে হোৱা আলোচনাকালত প্ৰতিনিধি দলটোৱে কয় যে, ৱাক্‌ফ বোৰ্ডৰ বাবে সমগ্ৰ দেশৰ মুছলমান সম্প্ৰদায়ৰ লোকৰ বাবে সমস্যাৰ সৃষ্টি  হৈছে। ৱাক্‌ফ বোৰ্ডৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ মছজিদসমূহ সন্মুখীন হোৱা সমস্যাৰ প্ৰতি কমিটিয়ে গুৰুত্ব আৰোপ কৰিব বুলি প্ৰতিনিধি দলটোৱে আস্থা প্ৰকাশ কৰে। প্ৰতিনিধি দলটোৱে ৱাক্‌ফ বোৰ্ডৰ কাম-কাজৰ উন্নত ব্যৱস্থাপনা, স্বচ্ছতা আৰু উত্তৰ দায়িত্বত গুৰুত্ব আৰোপ কৰে। দলটোৱে লগতে মছজিদৰ সৈতে জড়িত বিষয়সমূহৰ উন্নত ব্যৱস্থাপনাৰ বাবে এখন সুকীয়া দৰগাহ বোৰ্ড গঠনৰ বাবে দাবী জনায়।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে বুধবাৰলৈকে উত্তৰ পূৰ্বাঞ্চলৰ  বিভিন্ন ৰাজ্য, গুজৰাট, মধ্যমহাৰাষ্ট্ৰ, কেৰালা, মাহে, কংকন আৰু গোৱাত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে পূব ৰাজস্থান, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, হাৰিয়ানা, পঞ্জাব আৰু চণ্ডিগড়ত কাইলৈ পৰ্যন্ত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, অচনা নামৰ ঘূৰ্ণিবতাহজাকে ক্ৰমাৎ পশ্চিম-দক্ষিণ পশ্চিম দিশে অগ্ৰসৰ হব আৰু কাইলৈৰ ভিতৰত ক্ৰমান্বয়ে দুৰ্বল হৈ দক্ষিণ-পশ্চিম আৰব সাগৰত গভীৰ নিম্নছাপত পৰিণত হ'ব। বতৰ  বিজ্ঞান বিভাগে কৈছে যে, অন্ধ্ৰপ্ৰদেশৰ উত্তৰ ভাগ আৰু ওড়িশাৰ দক্ষিণ ভাগৰ উপকূলৰ সমীপৱৰ্তী বংগোপসাগৰত সৃষ্টি হোৱা গভীৰ নিম্নছাপ বলয় আজি উত্তৰ পশ্চিম ভাগত কেন্দ্ৰীভূত হৈ থাকিব।

০০০০

পুৱাৰে পৰা হৈ থকা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাই জলমগ্ন হৈ পৰিছে। চানমাৰি, জু-ৰোড, হাতীগাঁও, ৰুক্মিণীগাঁও আদি এলেকা কৃত্ৰিম বানত বুৰ যোৱাৰ লগতে জনসাধাৰণৰ জীৱন যাত্ৰা ব্যাহত হৈ পৰিছে। উল্লেখযোগ্য যে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দেশৰ কেইবাখনো ৰাজ্যৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত অহা বুধবাৰলৈ প্ৰচণ্ড বৃষ্টিপাত হোৱাৰ আগজাননী দিছে। কেন্দ্ৰীয় চৰকাৰৰ ভূ-বিজ্ঞান মন্ত্ৰালয়, ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আৰু গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই যৌথভাৱে জাৰি কৰা জাননী যোগে ধাৰাষাৰ বৃষ্টিপাতৰ ফলত স্পৰ্শকাতৰ আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতি হোৱাৰ লগতে যাতায়াত ব্যাহত হোৱাৰ আশংকা প্ৰকাশ কৰিছে। পানী আৱদ্ধ হ'ব পৰা স্থানলৈ নাযাবলৈও ৰাইজক আহ্বান জনোৱা হৈছে। ভূমিস্খলন প্ৰৱন এলেকা ত্যাগ কৰাৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষই আগবঢ়োৱা সতৰ্কতামূলক পৰামৰ্শ মানি চলিবলৈ বতৰ বিজ্ঞান বিভাগে উল্লেখ কৰিছে।

০০০০

এয়াৰ মাৰ্ছেল তেজিন্দৰ সিঙে আজি নতন দিল্লীত ভাৰতীয় বায়ুসেনাৰ উপ মুৰব্বী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়াৰ মাৰ্ছেল সিঙে ৰাষ্ট্ৰীয় যুদ্ধস্মাৰকলৈ গৈ দেশৰ হ'কে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকললৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। এয়াৰ মাৰ্ছেল তেজিন্দৰ সিং ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ প্ৰাক্তন ছাত্ৰ। তেওঁ ১৯৮৭ চনৰ ১৩ জুনত ভাৰতীয় বায়ু সেনাৰ যুজাৰু শাখাত যোগদান কৰিছিল। তেওঁ চাৰে চাৰি হাজাৰ ঘণ্টাৰো অধিক উৰণ অভিজ্ঞতাৰ সৈতে ক-শ্ৰেণীৰ উৰণ প্ৰশিক্ষক। তেওঁ ২০০৭ চনত বায়ু সেনা পদক আৰু ২০২২ চনত অতি বিশিষ্ট সেৱা পদক লাভ কৰিছে।

০০০০

ভাৰতীয় ক্ৰিকেট কণ্ট্ৰল বোৰ্ড -বি চি চি আইয়ে কালি ১৯ বছৰৰ অনুৰ্ধৰ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত হ'বলগীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ মাল্টি ফৰমেট হোম চিৰিজৰ সময়সূচীৰ ঘোষণা কৰে। জুনিয়ৰ বাচনি সমিতিয়ে ৩ খন ৫০ অভাৰৰ খেল আৰু ২ খন চাৰিদিনীয়া খেলৰ বাবে ১৯ বছৰৰ অনুৰ্ধৰ খেলুৱৈসকলক বাচনি কৰি উলিয়াইছে। মহম্মদ আমনে ৫০ অভাৰৰ বাবে খেলিবলগীয়া দলটোক আৰু চোহম পাটৱৰ্ধনে ৪ দিনীয়া খেলৰ দলটোক নেতৃত্ব দিব। ৫০ অভাৰৰ ৩ খন খেল ২১ চেপ্তেম্বৰৰ পৰা পুডুচেৰীত আৰম্ভ হ'ব আৰু দুখন ৪ দিনীয়া খেল একে মাহৰ ৩০ তাৰিখৰ পৰা চেন্নাইত অনুষ্ঠিত হ'ব।

০০০০

ভাৰতৰ কেইবাগৰাকীও খেলুৱৈ আজি পেৰিছ পেৰালিম্পিকৰ চতুৰ্থ দিনা বিভিন্ন শিতানৰ পদকৰ যুঁজত অৱতীৰ্ণ হ'ব। ৰবি ৰংগোলীয়ে বিয়লি প্ৰায় ৩ বাজি ৯ মিনিটত পুৰুষৰ শ্বটপুটৰ এফ ফৰ্টি শিতানৰ ফাইনেলত দেশৰ হকে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে নিশাদ কুমাৰে নিশা প্ৰায় ১০ বাজি ৪০ মিনিটত পুৰুষৰ হাই জাম্পৰ টি-ফৰ্টি চেভেন শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰালিম্পিকৰ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টলৰ এছ্ এইছ্ ৱান শিতানত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বাবে ৰুবিনা ফ্ৰান্সিছক অভিনন্দন জ্ঞাপন কৰিছে।

আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত কয় যে, এয়া দেশৰ বাবে সঁচাকৈয়ে গৌৰৱৰ ক্ষণ। ৰুবিনাৰ অসাধাৰণ একাগ্ৰতা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমে উল্লেখনীয় সফলতা কঢ়িয়াই অনা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াও ৰুবিনাক অভিনন্দন জনাইছে।

০০০০

ঃঃ সমাপ্ত ঃঃ